**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি লখিমপুৰ জিলাত কেইবাটাও প্ৰকল্প আৰু আঁচনিৰ আধাৰশিলা স্থাপনৰ লগতে উদ্বোধন।

২। শিলিগুড়িৰ পৰা গুৱাহাটীলৈ চাৰিটা লেনযুক্ত তীব্ৰ গতিসম্পন্ন কৰিডৰ নিৰ্মাণৰ কেন্দ্ৰীয় চৰকাৰৰ অভিলাসী প্ৰকল্প।

৩। চিৰাং জিলাত ২৯১ গৰাকী লোক মেলেৰীয়াত আক্ৰান্ত। স্বাস্থ্য বিভাগৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ।

৪। শিৱসাগৰৰ ডিমৌৰ পৰা বছৰটোত দ্বিতীয়বাৰলৈ ১০ মেট্ৰিকটন কণজহা ধান বিদেশলৈ ৰপ্তানি। **আৰু**

৫। উৎকট গৰমৰ পাছত এতিয়া উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰৱেশ।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত কেইবাটাও প্ৰকল্প আৰু আঁচনিৰ আধাৰশিলা স্থাপনৰ লগতে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ বেবেজীয়াৰ কমাৰটুপ, অঞ্চলত ২৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰিব। ১৬ বিঘাৰো অধিক ভূমি সামৰি এই ৰান্ধনিঘৰটো নিৰ্মাণ কৰা হ'ব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীয়ে কালি ডিব্ৰুগড়ত এনে এটা সমূহীয়া ৰান্ধনী ঘৰ মুকলি কৰে। ড° শৰ্মাই ৬৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীযা দ্বিতীয় পৰ্যায়ৰ উত্তৰ লখিমপুৰ নগৰৰ পানীযোগান আঁচনি আৰু উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলা স্থাপন কৰিব। এই আঁচনিৰ অধীনত ৮ দশমিক ৭ - ০ মিলিয়ন লিটাৰ বিশুদ্ধ খোৱাপানী দৈনিক যোগান ধৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ দ্বাৰা অঞ্চলটোৰ ৭ হাজাৰ ১৩ টা পৰিয়াল উপকৃত হ'ব। তেওঁ লগতে বিলুপ্তপ্ৰায় গছৰ সংগ্ৰহালয় আৰু বাঁহজাতীয় গছৰ ঘন বনাঞ্চলেৰে ১৬ বিঘা ভুমি সামৰি স্থাপন হ'বলগীয়া উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলাও স্থাপন কৰিব। দিনৰ ভাগত মুখ্যমন্ত্ৰীগৰাকীয়ে ৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লখিমপুৰ জিলা পৰিষদৰ নতুন কাৰ্যালয় ভৱন উদ্বোধন কৰিব। তেওঁ জিলাখনত ৰাষ্ট্ৰীয় গকুল মিছনৰ অধীনত চাৰে চাৰি কোটি টকা ব্যয়েৰে নিৰ্মিত বৃত্তিমূলক প্ৰশিক্ষণ প্ৰতিষ্ঠান, ইন্দোৰ ষ্টেডিয়াম, ব্যায়ামাগাৰ আৰু কেণ্টিনগৃহ তথা অতিথিশালাও উদ্বোধন কৰিব। জিলাখনত মুখ্যমন্ত্ৰীয়ে সৰ্বমুঠ ১১০ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব। এই কাৰ্যসূচীত মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্লবৰুৱা, সাংসদ প্ৰদান বৰুৱাকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকিব।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে ডিব্ৰুগড়ত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত মাজুলী আৰু মাহমৰা বিধানসভা সমষ্টিত ৰূপায়িত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত সুকীয়া সুকীয়াকৈ পৰ্যালোচনা বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে মাজুলীৰ যাতায়াত ব্যৱস্থাৰ বুজ লৈ লোহিত নৈত দলং নিৰ্মাণৰ কাম শীঘ্ৰেই সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি তেওঁ বিশ্ববেংকৰ অৰ্থ সাহায্যত নিৰ্মাণ কৰিবলগীয়া ৯ খন দলঙৰ কামো শীঘ্ৰে আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। মাজুলীত অক্ষয় পাত্ৰ ফাউণ্ডেচনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ বাবে কেন্দ্ৰীয় ৰান্ধনীঘৰ নিৰ্মাণৰ অগ্ৰগতিৰো তেওঁ বুজ লয়। তদুপৰি উজনি মাজুলীৰ লাচন চাপৰিৰ পৰা শালমৰালৈ এক নম্বৰ স্পাৰত ৰিং বান্ধ নিৰ্মাণৰ কাম আৰম্ভ কৰিবলৈ তেওঁ জলসম্পদ বিভাগক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে লগতে বিভিন্ন বিভাগৰ পৰা জনস্বাস্থ্য, শিক্ষা, কৃষি আদিৰ সৈতে জড়িত প্ৰকল্পসমূহৰ বুজ লয়। তেওঁ পৰিয়াল কল্যাণ বিভাগৰ অধীনত সমষ্টি দুটাত ৰূপায়িত প্ৰধানমন্ত্ৰী নগৰ জন আৰোগ্য যোজনা ৰূপায়ণৰ অগ্ৰগতিৰ লগতে আভা পৰিচয় পত্ৰ যুগুতকৰণৰ খতিয়ান লয়। তেওঁ কৃষকৰ পৰা ধান আৰু সৰিয়হ ক্ৰয় সম্পৰ্কেও পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে সকলো আন্তঃগাঁথনিমূলক প্ৰকল্পৰ কাম দ্ৰুত কৰি তুলিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী ডº শৰ্মাই কালি জনজাতীয় লোকসকলৰ উৎকৰ্ষ তথা কল্যাণ সাধনৰ লক্ষ্যৰে ডিব্ৰুগড়ৰ পৰা ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযান আৰম্ভ কৰে। অহা ৩০ জুনলৈ চলিবলগীয়া এই অভিযানৰ অধীনত জনজাতীয় লোক আৰু পৰিয়ালৰ অধিকাৰ নিশ্চিত কৰাৰ বাবে জনজাতি বসতিপ্ৰধান গাঁওসমূহলৈ গৈ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা, পি এম কিষাণ, জন-ধন একাউণ্টৰ সুবিধাকে ধৰি কল্যাণমূলক আঁচনিৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্যৰ ৬ হাজাৰখন জনজাতি বসতিপ্ৰধান গাঁৱক সামৰি চলিত বছৰত এই অভিযান ৰূপায়ণ কৰা হ'ব।

মুখ্যমন্ত্ৰী ডº শৰ্মাই ইয়াৰ আগেয়ে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত ডিব্ৰুগড়ৰ দিহিং খামটি খেলপথাৰত কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটো অহা বছৰৰ ছেপ্তেম্বৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ দ্বাৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক পুষ্টিকৰ মধ্যাহ্ন ভোজন দিয়া হ'ব। এই আঁচনিৰ বাবে কোনো মধ্যাহ্ন ভোজনৰ আঁচনিৰ ৰান্ধনিয়ে চাকৰি হেৰুৱাব নালাগে আৰু তেওঁলোক ৰন্ধাৰ পৰিৱৰ্তে বিদ্যালয়ত খাদ্য বিতৰণৰ কামত নিয়োজিত হ'ব। -----
**বাইট**

০০০০০০

কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ যাতায়াত ব্যৱস্থা শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে পশ্চিমবংগৰ শিলিগুড়িৰ গুৱাহাটীলৈ এটা চাৰিটা লেনযুক্ত তীব্ৰ গতিসম্পন্ন কৰিডৰ নিৰ্মাণৰ অভিলাসী প্ৰকল্প লৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে পশ্চিমবংগৰ বিশেষকৈ চিকেন নেকেৰে যোগাযোগ স্থাপনত সুবিধা হোৱাকৈ এই প্ৰকল্প ৰূপায়ণ কৰা হ'ব। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডত এই প্ৰকল্পৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছে। এই পৰিকল্পনাৰ ভিত্তিত মন্ত্ৰালয়ে প্ৰকল্পৰ বাবে নিবিদা আহ্বানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ৪০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই প্ৰকল্পই শিলিগুড়িৰ পৰা গুৱাহাটী আৰু যোৰাবাটক সামৰি ল'ব। এই কৰিডৰৰ জৰিয়তে পাছলৈ অৰুণাচল প্ৰদেশৰ পাছিঘাটকো সামৰি লোৱাৰ পৰিকল্পনা কৰা হৈছে। এবছৰৰ ভিতৰত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত হ'লে এই কাম আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

শিৱসাগৰ বিধানসভাৰ এলেকাৰ বান আৰু খহনীয়া সমস্যা সমাধান কৰাৰ বাবে ২০০ কোটি টকা ব্যয় কৰা হ'ব বুলি জলসম্পদ মন্ত্রী পীযুষ হাজৰিকাই ঘোষণা কৰিছে। এ ডি বি আঁচনি অনুসৰি এই ২০০ কোটি টকাৰে শিৱসাগৰ সমষ্টিৰ ২০ কিলোমিটাৰ মথাউৰিৰ লগতে ছখন শ্লুইছ গে'টৰ মেৰামতিৰ কামো কৰা হ'ব বুলি মন্ত্রীগৰাকীয়ে উল্লেখ কৰে। কালি সন্ধিয়া শিৱসাগৰ জিলাৰ মামল গড়ভঙাৰ শ্লুইছ গে'ট পৰিদৰ্শন কৰি মন্ত্রী হাজৰিকাই এই কথা ঘোষণা কৰে। মন্ত্রী হাজৰিকাৰ পৰিদৰ্শন কালত জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হৈ ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ বানপ্ৰৱণ অঞ্চলসমূহৰ পৰিস্থিতিৰ বুজ লয়। মন্ত্রীগৰাকীৰ এই পৰিদৰ্শন কালত শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে সংগ দিয়ে। সাংবাদিকৰ আগত মন্ত্রী হাজৰিকাই এইদৰে কয় ------ **বাইট**

০০০০০০

চিৰাং জিলাৰ বিভিন্ন প্ৰান্তত মেলেৰীয়া ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। জিলাখনৰ স্বাস্থ্য বিভাগৰ বিষয়াই প্ৰকাশ কৰা অনুসৰি জিলাখনৰ উত্তৰ অঞ্চলৰ ভাৰত-ভূটান সীমান্তৰ এলেকাৰ লগতে বনগাঁৱতো মেলেৰীয়া ৰোগীৰ সংখ্যাও বৃদ্ধি পাইছে। জিলাখনৰ নিৰীক্ষণকাৰী বিষয়া প্ৰকাশ কৰা অনুসৰি সম্প্ৰতি জিলাখনৰ ২৯১ গৰাকী লোক এই ৰোগত আক্ৰান্ত হৈছে। ইয়াৰে ২৪৯ গৰাকীৰ দেহত পি ভি ধৰাৰ পৰাৰ লগতে ৪২ গৰাকী ৰোগীৰ দেহত পি এফ ৰোগী বুলি চিনাক্ত কৰা হৈছে। জিলাখনৰ শান্তিপুৰ, ৰুণীখাটা, দাদগিৰি, আমটেকা প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ অধীনৰ এই ৰোগ অধিক হোৱা বাবে চিকিৎসা বিভাগে যাৱতীয় ব্যৱস্থা কৰিছে। বঙাইগাঁও শোধনাগাৰৰ পৰা প্ৰদান কৰা ২৮ হাজাৰ ঔষধযুক্ত আঁঠুৱা মেলেৰীয়া আক্ৰান্ত অঞ্চলসমূহত প্ৰদান কৰা হৈছে। স্বাস্থ্য বিভাগে স্থানীয় আশাকৰ্মীৰ জৰিয়তে ঔষদ সেৱনৰো ব্যৱস্থা গ্ৰহণ কৰিছে। অৱশ্যে বৰ্তমানলৈকে জিলাখনত মেলেৰীয়া আক্ৰান্ত কোনো ৰোগীৰ মৃত্যু হোৱা নাই বুলি জিলাখনৰ স্বাস্থ্য বিভাগে সদৰি কৰিছে। এই সন্দৰ্ভত আমাৰ চিৰাঙৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে এনেদৰে কয়—

**ভইচ (কুঞ্জমোহন ৰায়)**

০০০০০০

শিৱসাগৰ জিলা কৃষি বিভাগৰ উদ্যোগত আৰু কৃষিমন্ত্রী অতুল বৰাৰ তত্বাৱধানত ডিমৌৰ গড়ভগা বান্দৰমাৰি অঞ্চলৰ জ্যোতি কৃষি সেৱা গোটৰ সহযোগত কালি ১০ মেট্ৰিকটন কণ জহা ধান বিদেশলৈ ৰপ্তানি কৰা হয়। মন্ত্রী পীযুষ হাজৰিকাই পতাকা জোকাৰি ডুবাই অভিমুখে ধানৰ ৰপ্তানি কাৰ্যৰ শুভাৰম্ভ কৰে। এই ৰপ্তানিৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ বিকাশ অধিক ত্বৰান্বিত হ'ব বুলি মন্ত্রীগৰাকীয়ে আশা প্ৰকাশ কৰে। অনুষ্ঠানত থাউৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, জিলা কৃষি বিষয়াৰ লগতে সহকাৰী কৃষি সঞ্চালক উপস্থিত আছিল। চেফ এগ্ৰটেক প্ৰাইভেট লিমিটেডৰ জৰিয়তে শিৱসাগৰ জিলাৰ পৰা বছৰটোত দ্বিতীয়বাৰৰ বাবে কণজহা বিদেশলৈ ৰপ্তানি কৰা হৈছে। ইতিপূৰ্বে মাৰ্চত সম পৰিমাণৰ কণজহা জিলাখনৰ পৰা ভিয়েটনামলৈও প্ৰেৰণ কৰা হৈছিল।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি দিনৰ ১১ বজাত কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি ফলাফলসমূহ পি ডি এফ আকাৰত উপলব্ধ

হ'ব। পৰিক্ষাৰ্থীসকলে পৰিষদৰ ৱেবছাইট sebaonline.orgত ফলাফল লাভ কৰাৰ লগতে মাৰ্কশ্বিট ডাউনল'ড কৰিব পাৰিব।

০০০০০০

মন্ত্ৰী কৌশিক ৰায়ৰ সভাপতিত্বত কালি ডিব্ৰুগড়ৰ আয়ুক্তৰ কাৰ্যালয়ত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কাম-কাজ সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ ধান ক্ৰয় প্ৰক্ৰিয়াৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। সভাত দুলীয়াজানৰ বিধায়ক তেৰছ গোৱালা, জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালকৰ লগতে কৃষি বিষয়া আৰু খাদ্য নিগম বিভাগ বিষয়ববীয়াও উপস্থিত থাকে।

০০০০০০

২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিৰ ৪৫% বিধায়কে পুনৰ টিকট লাভ কৰাত অনিশ্চয়তাই দেখা দিছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰে শিলিগুৰিৰ পৰা গুৱাহাটী সংযোগী দ্ৰুত বেগী কৰিডৰ নিৰ্মাণ কৰাৰ অভিলাশী আঁচনি গ্ৰহণ কৰিছে। এই বাতৰিটো ফ্নাঙ পঙ্পন্তপঙ্ক কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসম চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ উদ্যানৰ প্ৰস্তাৱিত নৰম সংযোজনৰ প্ৰাথমিক অধিসূচনা বাতিল কৰিছে। এই বাতৰিটো ফ্নাঙ খশ্শসং ফ্নতহ্সপঙ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজীৱ শদিয়াৰ ভূমি জালিয়াতিত অভিযুক্ত আনন্দ ৰাছিৱাছিয়াক তিনিচুকীয়ালৈ অনা হৈছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্যত ১৮-২৩ বছৰৰ ভিতৰৰ যুৱক যুৱতীৰ উচ্চ শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহ হ্ৰাস পাইছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে ইৰাণ ইজৰাইল যুদ্ধৰ ফলত খাৱুৱা তেলৰ মূল্য বৃদ্ধি হৈছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দেশৰ স্বাধীনতাৰ সময়ৰে পৰা অসমত দেশদ্ৰোহী কাৰ্য চলি আছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উদ্ধৃতিৰে নিয়মীয়া বাৰ্তা কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

উৎকট গৰমৰ পাছত এতিয়া উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰৱেশ ঘটিছে যাৰ প্ৰভাৱত অহা কিছুদিনলৈ অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত বৰষুণ হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে আঞ্চলিক বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। কোনো কোনো অঞ্চলত ধুমুহা, বতাহেৰে মুষলধাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী চেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

যোৰহাটৰ বাহনা মহাবিদ্যালয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতক বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত উল্লেখনীয় সফলতা লাভ কৰিছে। মহাবিদ্যালয়খনৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰতিষ্ঠা নাজিৰে বিশ্ববিদ্যালয়ৰ ভিতৰত চতুৰ্থ স্থান, পৰান মিলিয়ে পঞ্চম স্থান আৰু জিণ্টু বৰাই চতুৰ্দশ স্থান লাভ কৰিছে। পদাৰ্থ বিজ্ঞানত বৰ্নম জ্যোতি দত্তই সপ্তম স্থান আৰু ৰক্তিম ৰঞ্জন কলিতাই অষ্টম স্থান লাভ কৰিছে। গণিত বিভাগত নৰজ্যোতি নেওগে পঞ্চম স্থান লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে।

০০০০০০

বৰ্দ্ধিত গ্ৰীষ্ম প্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলাত বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী পুনৰ কিছু সালসলনি কৰা হৈছে। আজিৰে পৰা জিলাখনত পাঠদানৰ সময় পুৱা চাৰে ৭ বজালৈ আগুৱাই অনা হৈছে। নিম্ন প্ৰাথমিক শ্ৰেণীৰ ছুটীৰ সময় দিনৰ চাৰে ১১ বজা, মজলীয়া বিদ্যালয়ৰ ছুটীৰ সময় দিনৰ ১২ বজা আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়ৰ ছুটীৰ সময় দিনৰ চাৰে ১২ বজা ধাৰ্য কৰা হৈছে। জিলাখনৰ চৰকাৰী তথা বেচৰকাৰী বিদ্যালয়সমূহতো এই ব্যৱস্থা কাৰ্যকৰী কৰা হৈছে।

০০০০০০

সমাপ্ত